জাতি, মাটি আৰু দেশৰ সেৱাত

দৈনন্দিন বাৰ্তা

৬ ছেপ্টেম্বৰ, ২০২০ দেওবাৰ গুৱাহাটী ২০ ভাদ ১৯৪২ শক

তেজপুৰত শিক্ষক দিৱসৰ কাৰ্যসূচীত এগৰাকী শিক্ষয়িত্ৰীক সম্বৰ্ধনা বিধায়ক পদ্ম হাজৰিকাৰ

ইলেকট্ৰনিক-প্ৰিণ্ট মিডিয়া ফ'ৰাম, চাউথ কামৰূপৰ নৱম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ৫ ছেপ্টেম্বৰ ঃদক্ষিণ কামৰূপৰ বৈদ্যুতিন আৰু ছপা মাধ্যমৰ উমৈহতীয়া সংগঠন ইলেকট্ৰনিক আৰু প্ৰিণ্ট মিডিয়া ফ'ৰাম, চাউথ কামৰূপৰ নৱম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস কালি মিৰ্জাস্থিত ইপিমিডিয়া ফ'ৰামৰ নিজস্ব ভূমিত চৰকাৰী নিৰ্দেশনা অনুসৰি ক'ভিড প্ৰটকল মানি অনুষ্ঠুপিয়াকৈ উদযাপন কৰা হয়। কাৰ্যসুচী অনুসৰি ৰাতিপুৱা 10 বজাত পতাকা উত্তোলন কৰে ফ'ৰামৰ সভাপতি ৰতন কলিতাই। 10.20 বজাত স্মৃতি তৰ্পন আৰু বন্তি প্ৰজ্বলন কৰে ক্ৰমে ফ'ৰামৰ মুখ্য উপদেষ্টা বলেন কলিতা, উপদেষ্টা অনিল কলিতা, কাৰ্যকৰী সভাপতি হিতেন মালী, কোষাধ্যক্ষ হীতেশ চন্দ্ৰ কলিতাই। 11 বজাত বৃক্ষ ৰোপণ কৰে ক্ৰমে পলাশবাৰী ৰাজহ চক্ৰৰ নৱনিযুক্ত চক্ৰ বিষয়া ধৃতিস্মান দাস, সাধাৰণ সম্পাদক নীৰেন চন্দ্ৰ মালী, জ্যেষ্ঠ সদস্য ফটিক ঠাকুৰীয়া, সহকাৰী সম্পাদকদ্বয় নুৰুল ইছলাম, চাহাব চৌধুৰী, সদস্য ধ্ৰুৱজ্যোতি কলিতাই। ইয়াৰ পিছতে জ্যেষ্ঠ সদস্য জগদ্বীশ চৌধুৰীয়ে উদ্বোধন কৰা প্ৰীতিসন্মিলন খনি সঞ্চালনা কৰে সভাপতি ৰতন কলিতাই। প্ৰীতি সন্মিলনত সভাপতি কলিতাই সাম্প্ৰতিক সময়ৰ প্ৰতি লক্ষ্য ৰাখি এইবেলি নৱম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস অনুষ্ঠুপিয়াকৈ অনুষ্ঠিত কৰাৰ কথা উল্লেখ কৰি আগন্তুক দশম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস কাৰ্যসূচীত নিজ ভূমিত এটি ঘৰ নিৰ্মাণ কৰাৰ উপৰিও এখন স্মৃতি গ্ৰন্থ প্ৰকাশৰ কথা ভাষণ প্ৰসঙ্গত উল্লেখ কৰে। উক্ত অনুষ্ঠান নৱনিযুক্ত চক্ৰ বিষয়া ধৃতিস্মান দাসে দায়িত্ব গ্ৰহণ কৰি সমষ্টিটোত ৰাইজৰ হৈ কাম কৰি যোৱাৰ বাবে সহায়-সহযোগিতা কামনা কৰি সংগঠনটোৰ উজ্জ্বল ভৱিষ্যত কামনা কৰে। প্ৰীতি সন্মিলখনিত উপস্থিত সকলো বিষয়ববীয়াৰ আৰু সদস্যই প্ৰতিষ্ঠা দিৱস উপলক্ষে নিজ নিজ মনোভাৱ ব্যক্ত কৰে। অনুষ্ঠানত সদস্য দোলন কলিতা, মিলন মহন্ত, জীতুমণী দাস, হীতেশ কলিতা আৰু শুভকাংশী তপন দাস আদি উপস্থিত থাকে। অনুষ্ঠান সাংবাদিক দোলন কলিতা আৰু ফটিক ঠাকুৰীয়াই গীত পৰিবেশন কৰি সকলোকে আপ্লুত কৰে। উক্ত সমূহ কাৰ্যসূচীৰ আঁতধৰে সাধাৰণ সম্পাদক নীৰেন চন্দ্ৰ মালীয়ে।

ঢকুৱাখনাত বিজেপিৰ যুৱ মৰ্চাৰ কৰ্মীক আক্ৰমণৰ ঘটনাৰ প্ৰতিক্ৰিয়া

নিৰ্যাতিত কৰ্মীৰ পৰিয়ালসহ ৩ পঞ্চায়তৰ ৰাইজৰ প্ৰতিবাদী সমদল

দৈনন্দিন বাৰ্তাৰ সেৱা, ঢকুৱাখনা, ৫ ছেপ্টেম্বৰ ঃ বিধানসভাৰ নিৰ্বাচন-2021লৈ ছমাহৰো অধিক সময় আছে যদিও 112 নং ঢকুৱাখনা বিধানসভা সমষ্টিত প্ৰাক নিৰ্বাচনী কাৰ্যকলাপ, উত্তেজনা আৰু সংঘাত-সংঘৰ্ষ ইতিমধ্যে আৰম্ভ হৈছে। যোৱা 3 চেপ্তেম্বৰত সমষ্টিটোৰ খেৰকটা গাঁও পঞ্চায়তত ভাৰতীয় জনতা যুৱ মৰ্চাৰ বুথ পৰ্যায়ৰ এখন সভা অনুষ্ঠিত হৈ থকা সময়তে 10-15 জনীয়া এটা যুৱকৰ দলে সভাৰ চকী-মেজ ধ্বংস কৰাৰ লগতে সভাত অংশগ্ৰহণ কৰা যুৱ মৰ্চাৰ সদস্য সকলৰ ওপৰত লাঠি-দা আদিৰে আক্ৰমণ কৰে।ফলত যুৱ মৰ্চাৰ 5 গৰাকী কৰ্মী গুৰুতৰভাৱে আহত হয়। এই ঘটনাৰ পিছৰ পৰা সমগ্ৰ ঢকুৱাখনাতে তীব্ৰ চেঁপা উত্তেজনাই বিৰাজ কৰিছে। আক্ৰমণ কাৰীৰ দলটোৰ সদস্য সকল সন্মিলিত গণশক্তি, অসম দলৰ সমৰ্থক বুলি স্বয়ং মিত্ৰদল বিজেপি দলে অভিযোগ উত্থাপন কৰিছে। আনহাতে ঢকুৱাখনাৰ খেৰকটা, মাতমৰা আৰু ডিমৰুগুৰি গাওঁ পঞ্চায়তৰ ছয় সহস্ৰাধিক সচেতন অভিভাৱক-অভিভাৱিকা আজি পুৱা প্ৰায় 11 বজাত স্বতঃস্ফুৰ্তভাৱে ঢকুৱাখনা ৰাজহুৱা খেলপথাৰত সমবেত হৈ এক প্ৰতিবাদী সমদল বাহিৰ কৰি ঢকুৱাখনা ৰাজহ চক্ৰৰ চক্ৰ বিষয়াৰ কাৰ্যালয়ত উপস্থিত হয়। সমদলটোৱে প্ৰায় দুই কিলোমিটাৰ পথ গণশক্তিৰ ভেৰনীয়া গুণ্ডাৰ দাদাগিৰি নচলিব, আমাক ন্যায় লাগে, মিচিং যুৱকৰ ওপৰত গণশক্তিৰ উদ্দেশ্য প্ৰণোদিত মাৰপিট নচলিব, মিচিং জাতিৰ নামত দালালৰাজ বন্ধ কৰক, উন্নয়ন স্তব্ধ কৰিব খোজা দালাল সকল হুচিয়াৰ, মিচিং যুৱক-যুৱতীক আক্ৰমণ কৰি কাৰ উন্নতি বিচাৰিছে গণশক্তিয়ে, গণতান্ত্ৰিক অধিকাৰ খৰ্ব কৰা বন্ধ কৰক আদি শ্ল'গান সম্বলিত প্লেকাৰ্ড হাতে হাত লৈ উক্ত শ্ল'গানেৰে গণশক্তি দলক সকীয়াই ঢকুৱাখনাৰ ৰাজপথ আৰু চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ চৌহদ কঁপাই তোলে। মিচিং জনগোষ্ঠীৰ নিৰ্যাতিত সন্তান সকলৰ অভিভাৱকসকলে চক্ৰ বিষয়া অপূৰ্ব কুমাৰ নাথৰ হাতত ঢকুৱাখনা মহকুমাৰ মহকুমধিপতিৰ জৰিয়তে 5 দফীয়া দাবী সম্বলিত এখন স্মাৰক পত্ৰ অসমৰ মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰে। স্মাৰক পত্ৰখনত উল্লেখিত দাবী সমূহৰ ভিতৰত খেৰকটা গাঁও পঞ্চায়তত ক্ৰমান্বয়ে বৃদ্ধি পোৱা অগণতান্ত্ৰিক আৰু বৰ্বৰ কাৰ্যত জড়িত দৃস্কৃতিকাৰীক চিনাক্ত কৰি আইনগত কঠোৰতম শাস্তি প্ৰদানৰ ব্যৱস্থা কৰা, ৰাজনৈতিক বাতাবৰণ সুস্থিৰ আৰু শান্তিপূৰ্ণ কৰাৰ বাবে দৃঢ় প্ৰশাসনিক ব্যৱস্থা কৰা, বকুলগুৰি আৰু বেবেজীয়াত অতি শীঘ্ৰে আৰক্ষী চকী স্থাপন কৰা আৰু ঢকুৱাখনা বিধানসভা সমষ্টিৰ পুব ঢকুৱাখনা, মাতমৰা, খেৰকটা, ডিমৰুগুৰি, দাংধৰা, বৰ্ষামুখ, সোৱণশিৰী, বিলমুখ আৰু ভীমপৰা পঞ্চায়তত সক্ৰিয় হৈ থকা ৰাজনৈতিক মাফিয়াৰাজৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰি জনসাধাৰণক শংকামুক্ত, ভয়হীন পৰিৱেশ ঘূৰাই আনি গণতান্ত্ৰিক প্ৰক্ৰিয়া শক্তিশালী কৰাৰ দাবী অন্যতম।

শিশু নিৰ্যাতনকাৰী তথাকথিত চিকিৎসক আৰু শিক্ষাবিদক কঠোৰ শাস্তি প্ৰদানৰ দাবী 'আছু'ৰ সম্পাদক লুৰিণজ্যোতি গগৈৰ

চিকিৎসক আৰু শিক্ষাবিদে শিশুক শ্ৰমিক হিচাপে নিয়োগ কৰাটো ডাঙৰ অপৰাধ

দৈনন্দিন বাৰ্তাৰ সেৱা, মাহমৰা, ৫ ছেপ্টেম্বৰ ঃ মানৱ সেৱাৰ পবিত্ৰ কৰ্মত জড়িত ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয়ৰ তথাকথিত চিকিৎসক ডাঃ সিদ্ধি প্ৰসাদ দেউৰী আৰু উজনি অসমৰ ঐতিহ্যমণ্ডিত মৰাণ মহাবিদ্যালয়ৰ অধ্যক্ষা ড° মিতালী কোঁৱৰে এটি বাৰ বছৰীয়া কিশোৰক শাৰীৰিক নিৰ্যাতন চলোৱা কাৰ্যই উজনি অসম উত্তাল হৈ থকাৰ সময়তে চিকিৎসক আৰু অধ্যক্ষাগৰাকীৰ বিৰুদ্ধে এইবাৰ সৰৱ হৈ পৰিছে সদৌ অসম ছাত্ৰ সন্থা চমুকৈ 'আছু'। সংবাদ মাধ্যমেৰে হোৱা এক সাক্ষাতকাৰত 'আছু'ৰ সাধাৰণ সম্পাদক লুৰিণজ্যোতি গগৈয়ে সমগ্ৰ ঘটনাটোক কঠোৰ ভাষাৰে নিন্দা প্ৰকাশ কৰি কয় যে, মানৱ সেৱাৰ লগত জড়িত যাক আমি ভগৱানৰ লগত তুলনা কৰো। সেইজন চিকিৎসক ডাঃ সিদ্ধি প্ৰসাদ দেউৰী আৰু মানৱ সম্পদ গঢ় দিয়াত যাক আমি শিক্ষাগুৰু বুলি বিবেচনা কৰো সেইসকলৰ পৰা এটি বাৰ বছৰীয়া শিশুক শাৰীৰিক নিৰ্যাতন চলোৱা কাৰ্যটো অতিকে গৰিহণাযোগ্য। তদুপৰি শিশুক চিকিৎসক আৰু অধ্যক্ষাগৰাকীয়ে ঘৰত বনকৰা শ্ৰমিক হিচাপে নিয়োগ কৰাটো আটাইতকৈ ডাঙৰ অপৰাধ। গতিকে অপৰাধীয়ে উচিত শাস্তি পাবই লাগিব। ছাত্ৰ সন্থাই পূৰ্বৰে পৰা চৰকাৰক দাবী জনাইছে আহিছে যে, শিশু শ্ৰমিক নিয়োগ কৰা ব্যক্তিৰ ক্ষেত্ৰত কঠোৰ আইন প্ৰণয়ন কৰি এই কাৰ্য ৰোধ কৰিব লাগে বুলি। কিন্তু আজি ডিব্ৰুগড় জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনৰ চৰম পক্ষপাতমূলক আচৰণৰ বাবেই হয়তো এই উচ্চ শিক্ষাৰে শিক্ষিত দম্পতী হাল শাস্তিৰ পৰা ৰেহাই পাব। ভদ্ৰ সমাজক লজ্জিত কৰা তথাকথিত চিকিৎসক ডাঃ সিদ্ধি প্ৰসাদ দেউৰী আৰু মৰাণ মহাবিদ্যালয়ৰ অধ্যক্ষা ড° মিতালী কোঁৱৰৰ এই অমানৱীয়, পাশৱিক আৰু হৃদয়হীনতা কাৰ্য কোনো কাৰণতে গ্ৰহণ নহয় বুলি সদৌ অসম ছাত্ৰ সন্থা চমুকৈ 'আছু'ৰ সাধাৰণ সম্পাদক লুৰিণজ্যোতি গগৈয়ে সংবাদ মাধ্যমক জানিবলৈ দিছে। আনহাতে মৰাণ মহাবিদ্যালয়ৰ তথাকথিত অধ্যক্ষাগৰাকীৰ এই কাৰ্যত মহাবিদ্যালয়খনৰ কৰ্মচাৰী গোটেও তীব্ৰ ভাষাৰে গৰিহণা দিছে। মহাবিদ্যালয় খনৰ কৰ্মচাৰী গোটৰ সভাপতি অৰূপ কমল দাস আৰু সম্পাদক গুণাধৰ চুতীয়াৰ স্বাক্ষৰিত এক বিবৃতি অনুসৰি, মৰাণ মহাবিদ্যালয়ৰ অতীতৰ গৰিমাত আঘাত হানি শিক্ষিত সমাজক লজ্জিত কৰা মহাবিদ্যালয়খনৰ অধ্যক্ষাগৰাকীৰ এই কাৰ্যত কৰ্মচাৰী গোটে তীব্ৰ ভাষাৰে গৰিহণা দিছে। শিশুটোৰ আশু আৰোগ্য কামনা কৰি কৰ্মচাৰী গোটে এনে ঘটনা সভ্য সমাজৰ বাবে কেতিয়াও গ্ৰহণযোগ্য নহয় বুলি উল্লেখ কৰি শিশুটোৰ ওপৰত চলোৱা শাৰীৰিক নিৰ্যাতনৰ বাবে দোষীক আইনগত শাস্তি প্ৰদান কৰিবলৈ দাবী জনাইছে।

বঢ়মপুৰৰ পোতনিত অবৈধ কাঠফলা মিল জব্দ

দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ৫ ছেপ্টেম্বৰ ঃ নগাঁও জিলাৰ বন সংমণ্ডল বিষয়া ৰাজেন চৌধুৰীৰ কঠোৰ নিৰ্দেশত যোৱা দুই-তিনি মাহত বন বিভাগে অভিযান চলাই অৰ্ধ শতাধিক অবৈধ কাঠফলা মিলৰ লগতে মূল্যৱান কাঠ উদ্ধাৰ, অবৈধভাৱে সৰবৰাহ কৰা শিল-বালি পৰিবাহী গাড়ী জব্দ কৰি অভিলেখ সংখ্যক ৰাজহ সংগ্ৰহ কৰাৰ পাছত আজি সদৰ আঞ্চলিক বন বিষয়া জয়ন্ত গোস্বামীৰ নেতৃত্বত যোৱা বন বিভাগৰ দলে অভিযান চলাই বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত পোতনি কমাৰগাঁৰৰ জিতেন বৰা নামৰ লোকজনৰ অবৈধ কাঠফলা মিলটো জব্দ কৰে। উক্ত অভিযানত সহযোগিতা আগবঢ়াইছে খণ্ড বন বিষয়া প্ৰভাত চন্দ্ৰ বৰাই।

এলাইটকন ইণ্টাৰনেচনেল লিমিটেড

(পূৰ্বৰ কাশীৰাম জৈন এণ্ড কোম্পানী লিঃ)
পঞ্জীয়ন কাৰ্যালয় ঃ লাচিত নগৰ, এছ আৰ বি ৰোড গুৱাহাটী, কামৰূপ, অসম ৭৮১০০৭
কৰ্পৰেট কাৰ্যালয় ঃ চি অ' এম ১০৫, এক্সপ্ৰেছ গ্ৰীণ, বৈশালি, গাজিয়াবাদ, ইউ পি-২০১০১০
ই-মেইল ঃ admin@eliteconinternational.com, ৱেবচাইট ঃ www.kashiram.co.in
চি আই এন ঃ এল ৭০১০০ এএছ ১৯৮৭ পি এল চি ০০২৮২৮

জাননী

এই জাননীৰ দ্বাৰা অৱগত কৰা হ'ল যে এলাইটকন ইণ্টাৰনেচনেল লিঃৰ সকলো সদস্যক অৱগত কৰা হ'ল যে ৩৩ তম বাৰ্ষিক সাধাৰণ সভা (এজিএম) অহা ৩০ ছেপ্টেম্বৰ, ২০২০ তাৰিখ, বুধবাৰে দিনৰ ১১.০০ বজাত পঞ্জীয়ন কাৰ্যালয় লাচিত নগৰ, এএছআৰবি ৰোড, গুৱাহাটী, অসম- ৭৮১০০৭ ত অনুষ্ঠিত হ'ব ইতিপূৰ্বে জাননীত উল্লেখ কৰা ধৰণে।

এজিএমৰ জাননীৰ প্ৰতিলিপি, উপস্থিতিৰ শ্লিপ, প্ৰক্সী ফৰ্ম আৰু পথ-নক্সা ইতিমধ্যে কেম্পানীৰ সকলো সদস্যলৈ প্ৰেৰণ কৰা হৈছে যিসকলৰ নাম শুকুৰবাৰ, ২৮ আগষ্ট, ২০২০ তাৰিখ পৰ্যন্ত পঞ্জীয়ন হৈছে, লগতে ৩১ মাৰ্চ ২০২০ ত সমাপ্ত বিত্তীয় বৰ্ষৰ বাৰ্ষিক ৰিপ'ৰ্টো আছে। সম্পূৰ্ণ বাৰ্ষিক ৰিপ'ৰ্ট আৰু ওপৰত উল্লেখ কৰা নথী-পত্ৰসমূহ কোম্পানীৰ ৱেবছাইট www.kashiram.co.in ত উপলব্ধ আছে।

ছিকিউৰিটিজ এণ্ড এক্সচেঞ্জ ব'ৰ্ড অব ইণ্ডিয়া (লিষ্টিং অব্লিগেছনছ এণ্ড ডিছক্লজাৰ ৰিকুৱায়াৰমেনছ) ৰেগুলেচন-২০১৫ ৰ বিধি ৪২ আৰু কোম্পানী আইন- ২০১৩ ৰ শাখা ৯১ ৰ ভিত্তিত, সদস্যৰ পঞ্জীয়ন আৰু কোম্পানীৰ শ্বেয়াৰ ট্ৰেন্সফাৰ বুক বন্ধ থাকিব ২৪ ছেপ্টেম্বৰ ২০২০, বৃহস্পতিবাৰৰ পৰা ৩০ ছেপ্টেম্বৰ ২০২০ বুধবাৰলৈকে (দুয়োটা দিন অন্তৰ্ভুক্ত)।

ৰিমট ই-ভোটিং পদ্ধতিৰে আৰু এজিএমত ভোট প্ৰদানৰ বাবে সদস্যসকলৰ যোগ্যতা নিৰ্ণয় কৰাৰ অন্তিম তাৰিখ হ'ল ২১ ছেপ্টেম্বৰ ২০২০, সোমবাৰ।

ৰিম'ৰ্ট ই-ভোটিং আৰম্ভ হ'ব ২৭ ছেপ্টেম্বৰ, ২০২০, দেওবাৰৰ (পুৱা ৯.০০) পৰা ২৯ ছেপ্টেম্বৰ ২০২০, মঙলবাৰলৈ (বিয়লি ৫.০০)। ইয়াৰ পিছত ই-ভোটিঙৰ অনুমতি প্ৰদান কৰা নহ'ব।

এজিএম অনুষ্ঠিত হ'ব লগা স্থানত বেলট পেপাৰ আৰু ভোট প্ৰদানৰ সকলো সুবিধা সংলগ্ন থাকিব যিসকল সদস্যই ৰিম'ৰ্ট ই-ভোটিঙৰ জৰিয়তে ভোটদান কৰা নাই, তেওঁলোকৰ বাবে।

এইক্ষেত্ৰত কিবা সুধিব লগা থাকিলে, সদস্যসকলে সঘনাই সোধা প্ৰশ্ন (এফ এ কিউ) ব্যৱস্থাৰে ৰিমৰ্ট ই-ভোটিঙৰ পদ্ধতি ইত্যাদি ডাউনলোড কৰিব পাৰিব https://www.evotingindia.com/Help.jsp পৰা বা ফোন কৰিব পাৰিব ট'ল ফ্ৰী নম্বৰ ১৮০০২২৫৫৩৩ লৈ।

এলাইটকন ইণ্টাৰনেচনেল লিঃৰ হৈ
স্বাক্ষৰ
তাৰিখ ঃ ০৫.০৯.২০২০ আভাইজ আলী
স্থান ঃ গাজিয়াবাদ পূৰ্ণকালীন সঞ্চালক/ চিইঅ'/ চি এফ অ'

গান্ধীবাৰীত জাতিধ্বংসী 'কা' আৰু 'ই আই এ বাতিলৰ দাবীত বাইক ৰেলী

দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ৫ ছেপ্টেম্বৰ ঃ সদৌ অসম ছাত্ৰ সন্থা আৰু বাক্সা জিলা ছাত্ৰ সন্থাৰ আহ্বানত তামুলপুৰৰ গান্ধীবাৰীত দক্ষিণ ডেফেলী আঞ্চলিক ছাত্ৰ সন্থা আৰু দক্ষিণ ডেফেলী যুৱ-ছাত্ৰ পৰিষদৰ উদ্যোগত আজি এক বাইক ৰেলী উলিওৱা হয়। দক্ষিণ ডেফেলী আঞ্চলিক ছাত্ৰ সন্থা আৰু দক্ষিণ ডেফেলী আঞ্চলিক যুৱ-ছাত্ৰ পৰিষদে গান্ধীবাৰীত নাগৰিকত্ব সংশোধনী বিধেয়ক 'কা' আৰু পৰিৱেশ প্ৰভাৱ নিৰূপন অধিসূচনা 'ই আই এ' বাতিলৰ দাবীত এই বাইক ৰেলী কাৰ্যসূচী ৰূপায়ণ কৰে। বাইক ৰেলীত আছু আৰু যুৱ ছাত্ৰ পৰিষদৰ শতাধিক অংশগ্ৰহণ কাৰী কৰ্মকৰ্তাসকলে সদৌ অসম ছাত্ৰ সন্থা জিন্দাবাদ, যুৱ-ছাত্ৰ পৰিষদ জিন্দাবাদ, 'কা' আমি নামানো, 'কা' বাতিল কৰক, ইআইএ বাতিল কৰক, কেন্দ্ৰীয় চৰকাৰ হায় হায়, সৰ্বানন্দ সোণোৱাল মুৰ্দাবাদ হিমন্ত বিশ্ব শৰ্মা মুৰ্দাবাদ, বিজেপি চৰকাৰ হায় হায় আদি শ্লোগান দি প্ৰতিবাদ সাব্যস্ত কৰে আছু যুৱছাত্ৰ পৰিষদৰ নেতা কৰ্মীসকলে। আজিৰ বাইক ৰেলীত বাক্সা জিলা ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক ডুলুজিৎ দাস, তামুলপুৰ মহকুমা ছাত্ৰ সন্থাৰ সাঃ সম্পাদক কুমুদ ডেকা, সভাপতি অজয় বড়ো, দক্ষিণ গান্ধীবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি সন্তোষ পাটোৱাৰী ,সম্পাদক জয়দেৱ দাস, যুৱ-ছাত্ৰ পৰিষদৰ সভাপতি হীৰকজ্যোতি মালাকাৰ,সম্পাদক নয়নজ্যোতি কলিতা আৰু আন নেতা কৰ্মীসকলে অংশহগ্ৰহণ কৰা বাইক ৰেলীটোৰ শুভ উদ্বোধন কৰে বাক্সা জিলা ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক ডুলুজিৎ দাসে। বাইক ৰেলীটো গান্ধীবাৰীত শুভাৰম্ভ কৰি ৰঙিয়া -লতিবাৰী পথেৰে ঢেকীপোটা লতিবাৰী হৈ দহ কিলোমিটাৰ পথ পৰিভ্ৰমণ কৰি পুনৰ গান্ধীবাৰীতে আছু কাৰ্যালয়ৰ সন্মুখত সামৰণি পৰে।

যমুনামুখৰ সৰুপথাৰত জঘন্য ধৰ্ষণ কাণ্ড

যুৱতীক ধৰ্ষণ কৰি পেলাই থৈ গ'ল ৰাজপথৰ কাষত

দৈনন্দিন বাৰ্তাৰ সেৱা, ডবকা, ৫ ছেপ্টেম্বৰ ঃ যোৱা 16 জুনত ডবকাৰ ভেলৌগুৰিত এগৰাকী আদিবাসী যুৱতীক ধৰ্ষণ কৰি জুলাই হত্যা কৰাৰ চাঞ্চল্য মাৰ নৌহওঁতেই সেই একে অঞ্চলতে পুনৰ এক জঘন্য বলাৎকাৰৰ ঘটনা সংঘটিত হৈছে। এইবাৰৰ স্থান যমুনামুখ আৰক্ষী থানাৰ অন্তৰ্গত সৰুপথাৰ। বাতৰি অনুসৰি ডবকাৰ ভেলৌগুৰীৰ এগৰাকী যুৱতীয়ে যোৱা দুই চেপ্টেম্বৰৰ সন্ধিয়া চাৰিমান বজাত যমুনামুখত থকা নিজৰ মাহিয়েকৰ ঘৰত যোৱাৰ সময়ত সৰুপথাৰ নামৰ ঠাইত পূৰ্বৰে পৰা বৈ থকা এজন যুৱকে-যুৱতীগৰাকীক নিজৰ মাহিয়েকৰ ঘৰত আগুৱাই দিব বুলি কৈ এখন পালচাৰ বাইকত তুলি লয় । তাৰ পিছত যুৱতী গৰাকীক নিশাৰ অন্ধকাৰৰ সুযোগত যমুনামুখৰ সৰুপথাৰ নামৰ ঠাইখিনিত থকা এটি নিৰ্জন ঘৰত ৰাখি প্ৰথমে দলবদ্ধ ধৰ্ষণ কৰে। পৰৱৰ্তী যুৱতী গৰাকীক অত্যাচাৰ কৰি নিশা 36 নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত মুমুৰ্যু অৱস্থাত পেলাই থৈ যায়। পৰৱৰ্তী যুৱতীগৰাকীয়ে নিজৰ ঘৰৰ মানুহক ফোন কৰি সমস্ত ঘটনা বিৱৰি কোৱাত যুৱতী গৰাকীক উদ্ধাৰ কৰি ডবকা হস্পিটালত ভৰ্তি কৰে যদিও অৱস্থা সংকটজনক হোৱাত ততাতৈয়াকৈ নগাঁও অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰে। পাষণ্ডৰ দলটোৱে চলোৱা অত্যাচাৰত যুৱতী গৰাকীয়ে মুখ, শৰীৰত আঘাত পোৱাত থুতৰিত কেবাটাও চিলাই দিবলগীয়া হয়। বৰ্তমানে মৃত্যুৰ সতে যুঁজি আছে যুৱতী গৰাকীয়ে। ঘটনা সম্পৰ্কত ডবকা থানাত এখন এজাহাৰ দাখিল কৰা হয়। সেই এজাহাৰৰ ভিত্তিত ডবকা আৰক্ষীয়ে 289/20 নম্বৰত এটা গোচৰ ৰুজু কৰি মুল অভিযুক্ত তাজ উদ্দিন নামৰ লম্পটটোক গ্ৰেপ্তাৰ কৰিছে। তাজউদ্দিনৰ ঘৰ যমুনামুখৰ ডেকেৰুৱা গাঁৱত। এই ঘটনাই কঁপাই তুলিছে সমগ্ৰ ডবকা অঞ্চল। অভিযুক্তক কঠোৰ শাস্তিৰ দাবী তুলিছে ৰাইজে।

নগাঁৱৰ পংকজ শইকীয়াৰ মৃত্যু

দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৫ ছেপ্টেম্বৰ ঃ নগাওঁ চহৰৰ উত্তৰ হয়বৰ গাঁৱৰ মাধৱদেৱ পথৰ ব্যৱসায়ী তথা অসম আন্দোলনৰ সক্ৰিয় কৰ্মী পংকজ শইকীয়া(61) কালি সন্ধ্যা নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাতে মৃত্যু হয়। আজি কিছুদিন ধৰি জটিল ৰোগত আক্ৰান্ত হৈ থকা শইকীয়াৰ অৱস্থা সংকটজনক হোৱাত এক ছেপ্টেম্বৰত চিকিৎসালয় খনত ভৰ্তি কৰোৱা হৈছিল। চিকিৎসাধীন অৱস্থাতে কালি সন্ধ্যা তেওঁৰ মৃত্যু হয়। অসম আন্দোলনৰ সক্ৰিয় কৰ্মী শইকীয়া অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ লগত সক্ৰিয়ভাৱে জড়িত হোৱাৰ উপৰিও পৰৱৰ্তী পৰ্যায়ত অসম গণ পৰিষদৰ লগতো জড়িত হৈছিল। বিভিন্ন সামাজিক কাম-কাজৰ লগত জড়িত শইকীয়াৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত পত্নী, পুত্ৰ-কন্যাসহ বহু আত্মীয় স্বজন ইহ সংসাৰত এৰি থৈ গৈছে।

নগাঁৱত অবৈধ কাঠফলা মিল জব্দ

দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৫ ছেপ্টেম্বৰ ঃ নগাঁও জিলা বন বিভাগৰ এটা অভিযানকাৰী দলে আজি জিলাখনৰ পোটনি কমাৰগাঁও অঞ্চলত অভিযান চলাই এটা অবৈধ কাঠ ফলা মিল জব্দ কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে, জিতেন বৰা নামৰ লোকজনে অবৈধ ভাবে কাঠ ফলা মিলটো চলাই আহিছিল। এই মিলত একাংশ অসাধু কাঠ ব্যৱসায়ীয়ে অতি মূল্যবান চোৰাং কাঠ ফালি জিলাখনৰ বিভিন্ন স্থানলৈ সৰবৰাহ কৰি আহিছিল। এই খবৰ গোপন সূত্ৰে লাভ কৰি আজি নগাঁও বনাঞ্চলিক বিষয়া জয়ন্ত গোস্বামীৰ নেতৃত্বত যোৱা দলটোৱে অবৈধ কাঠফলা মিলটো উৎখাত কৰাৰ লগতে কাঠমিল চলোৱাত ব্যৱহৃত এটা ডিজেল জেনেৰেটৰ জব্দ কৰিবলৈ সক্ষম হয়। এই অভিযানত বনাঞ্চলিক বিষয়া জয়ন্ত গোস্বামীক সংগ দিয়ে বনপালক এক প্ৰভাত বৰাৰ লগতে কেইবাগৰাকীও বনকৰ্মীয়ে। আনহাতে আজিৰ অভিযানত অবৈধ কাঠমিলৰ লগত জড়িত কোনো লোকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হোৱা নাই।

GNRC Quality•Value•Trust স্বাস্থ্য-বাৰ্তা

1800-345-0011 (ট'ল ফ্ৰী)

জিএনআৰচি হাস্পতাললৈ বিনামূলীয়া এম্বুলেঞ্চ সেৱা

For any Medical Emergency

Trust GNRC

Free Ambulance to GNRC

1800-345-0011 (Toll Free)

এমিনেছ এণ্ড প্লাষ্টিচাইজাৰ্ছ লিমিটেড

পঞ্জীয়ন কাৰ্যালয়ৰ ঠিকনা ঃ পোৱাল এণ্ড এনক্লেভ, মাৰফৎ প্ৰণতি বিল্ডাৰ্ছ প্ৰাঃ লিঃ প্ৰিন্সিপাল জেবি ৰোড, চেনীকুঠী, গুৱাহাটী, অসম-৭৮১ ০০৩
কৰ্পৰেট কাৰ্যালয়ৰ ঃ ডি/৬, শিৰসাগৰ এষ্টেট, ড' এন্নি বেচাণ্ট ৰোড, উৰ্লি, মুম্বাই-৪০০০১৮
ফোন-০২২-২৪৯৩৫২৮২| ফেক্স-২৪৯৩৮১৬২
চিআইএন ঃ এল ২৪২২৯ এএছ ১৯৭৩ পিএলচি ০০১৪৪৬, ৱেবছাইট ঃ www.amines.com ই-মেইল ঃ legal@amines.com

জাননী

এই জাননীৰ জৰিয়তে অৱগত কৰা হ'ল যে কোম্পানীৰ ৪৫ সংখ্যক বাৰ্ষিক সাধাৰণ সভা (এজিএম) অনুষ্ঠিত হ'ব ২৯ ছেপ্টেম্বৰ, ২০২০, মঙলবৰে বিয়লি ৪.০০ বজাত দৈত পদ্ধতিৰে- ভিডিঅ' কনফাৰেন্সিং (ভি চি)/ অন্য দৃশ্যশ্ৰব্য মাধ্যম (অ'এভিএম) ব্যৱস্থাৰে, যিটো ইতিমধ্যে যোৱা ১৩ আগষ্ট, ২০২০ ত প্ৰকাশ কৰা ৪৫ তম এজিএমৰ জাননীত উল্লেখ কৰ হৈছে ইনষ্ট্ৰামিটৰ জৰিয়তে লিংক ইনটাইম (ইণ্ডিয়া) প্ৰাঃ লিঃ অনুসৰি।

সাধাৰণ চাৰ্কোলাৰ নং ১৪/২০২০, তাৰিখ ৮ এপ্ৰিল, ২০২০; চাৰ্কোলাৰ নং ১৭/২০২০, তাৰিখ ১৩ এপ্ৰিল ২০২০ আৰু চাৰ্কোলাৰ নং ২০/২০২০, তাৰিখ ৫ মে', ২০২০ ভিত্তিত কৰ্পোৰেট পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি (এমচিএ) আৰু চাৰ্কোলাৰ নং এছইবিআই/ এইচঅ'/ চিএফডি/ চিএমডি-১/ চিআইআৰ/ পি/২০২০/৭৯, তাৰিখ ১২ মে'২০২০, জাৰি কৰিছে ছিকিউৰিটিজ এণ্ড এক্সচেঞ্জ ব'ৰ্ড অব ইণ্ডিয়া (এছইবিআই) (এতিয়াৰ পৰা সামগ্ৰীকভাৱে উল্লেখ থাকিব চাৰ্কোলাৰ বুলি), কোম্পানীয়ে অনুমতি লাভ কৰিছে সাধাৰণ সভা অনুষ্ঠিত কৰাৰ বাবে ভি চি/ অ'এভিএম পদ্ধতিৰে, সদস্যসকলৰ শাৰীৰিকভাৱে উপস্থিত নোহোৱাকৈ।

ওপৰোক্ত চাৰ্কোলাৰৰ ভিত্তিত, ৪৫ তম এজিএমৰ জাননীৰ লগতে ২০১৯-২০ বিত্তীয় বৰ্ষৰ বাৰ্ষিক ৰিপ'ৰ্ট ইলেক্টনিক মুডত প্ৰেৰণ কৰা হৈছে যিসকল সদস্যৰ ই-মেইলসমূহ কোম্পানী/ নেচনেল ছিকিউৰিটিজ ডেপজিটৰী লিঃ আৰু চেণ্ট্ৰেল ডেপজিটৰী চাৰ্ভিচেছ (ইণ্ডিয়া) লিঃ (দ্য ডেপ'জিটৰীছত) পঞ্জীয়ন হৈ আছে। এজিএমৰ জাননী আদি সবিস্তাৰে উপলব্ধ আছে বিএছই লিঃৰ ৱেবছাইট www.bseindia.com আৰু কোম্পানীৰ ৱেবছাইট www.amines.com ত। ২০১৯-২০ বৰ্ষৰ বাৰ্ষিক প্ৰতিবেদনৰ প্ৰতিলিপি প্ৰেৰণ কৰা নহয় অন্য ধৰণে। কোম্পানীয়ে ইতিমধ্যে নিযুক্ত কৰিছে লিংক ইনটাইম (I) প্ৰাঃ লিঃ (এলআইআইপিএল) যাতে, ভিচি/ অ'এভিএম পদ্ধতিৰে এজিএমত অংশগ্ৰহণকাৰীসকলে ৰিম'ৰ্ট ই-ভোটিঙৰ জৰিয়তে ভোট প্ৰদান কৰিব পাৰে এজিএমৰ সময়ছোৱাত।

সাধাৰণ সভাৰ বাবে কোম্পানী আইন-২০১৩ ৰ শাখা ১০৮ ৰ আধাৰত, পঢ়ি উঠি কোম্পানিছ (মেনেজমেণ্ট এণ্ড এডমেনিষ্ট্ৰেচন) ৰুলছ-২০১৪ ৰ বিধি ২০, সময়ে সময়ে সংশোধন কৰা অনুসৰি, ছেবি (লিষ্টিং অব্লিগেছনছ এণ্ড ডিছক্লজাৰ ৰিকুৱায়াৰমেনছ) ৰেগুলেছনছ-২০১৫ ৰ ৰেগুলেছন-৪৪ আৰু ছেক্ৰেটেৰীয়েল ষ্টেণ্ডাৰ্ড-২ অনুসৰি দ্য ইন্সটিটিউট অব কোম্পানী ছেক্ৰেটেৰিছ অব ইণ্ডিয়াই যিধৰণে নিৰ্দেশনা প্ৰদান কৰিছে।

(ক) কোম্পানীয়ে সদস্যসকলক ইলেক্টনিক মাধ্যমেৰে ভোট প্ৰদানৰ বাবে ৰিম'ৰ্ট ই-ভোটিং ব্যৱস্থা প্ৰদান কৰিব, যিধৰণে ৪৫ তম এজিএমৰ জাননী, ১৩ আগষ্ট ২০২০ ত উল্লেখ আছে।
(খ) ৰিম'ৰ্ট ই-ভোটিঙৰ বাবে নিৰ্ধাৰিত দিন, তাৰিখ আৰু সময় হ'ল শনিবাৰ, ২৬ ছেপ্টেম্বৰ-২০২০ আৰু পুৱা ৯.০০ বজাৰ পৰা।
(গ) ৰিম'ৰ্ট ই-ভোটিঙৰ অন্তিম সময়ৰ দিন, তাৰিখ আৰু সময় হ'ল সোমবাৰ, ২৮ ছেপ্টেম্বৰ-২০২০ আৰু বিয়লি ৫.০০ বজালৈ।
(ঘ) কাট-অব-ডেট হ'ল ২৩ ছেপ্টেম্বৰ, ২০২০।
(ঙ) যিসকল সদস্যই কোম্পানীৰ শ্বেয়াৰ আহৰণ কৰিছে আৰু এজিএমৰ জাননী জাৰি হোৱাৰ পিছত কোম্পানীৰ সদস্য পদ লাভ কৰিছে, কাট-অব-ডেট অৰ্থাৎ ২৩ ছেপ্টেম্বৰ, ২০২০ লৈ শ্বেয়াৰ বহন কৰিছে তেওঁলোকে এজিএমৰ জাননীত উল্লেখ কৰা ই-ভোটিঙৰ নিৰ্দেশাৱলী পৰ্যবেক্ষন কৰিব লাগিব।
(চ) যিসকল সদস্যই ভিচি/ অ'এভিএম ব্যৱস্থাৰে এজিএমত উপস্থিত থাকিব আৰু যিসকলে ৰিম'ৰ্ট ই-ভোটিঙৰ জৰিয়তে ভোটদান কৰা নাই, তেওঁলোকে এজিএমত ই-ভোটিং ব্যৱস্থাৰে নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰিব পাৰিব।
(ছ) তলৰ বিষয়টো সতৰ্কতাৰে পৰ্যৱেক্ষনৰ বাবে সদস্যসকলক অনুৰোধ কৰা হ'ল ঃ
(i) ৰিম'ৰ্ট ই-ভোটিং ব্যৱস্থাৰ দ্বাৰা ভোটদান প্ৰক্ৰিয়া ২৮ ছেপ্টেম্বৰ, ২০২০, সোমবাৰে বিয়লি ৫.০০ বজাৰ পিছত এলআইআইপিএলৰ দ্বাৰা ব্যাহত কৰা হ'ব।
(ii) যিসকল সদস্যই ৰিম'ৰ্ট ই-ভোটিঙৰ দ্বাৰা ভোটদান সম্পন্ন কৰিব তেওঁলোকে এজিএমত উপস্থিত থাকিব পাৰিব যদিও পুনৰ ভোটদান কৰিব নোৱাৰে।
(iii) যিসকল সদস্যই ফিজিকেল বা ডি-মেটেৰিয়েলাইজড ফৰ্মত ২৩ ছেপ্টেম্বৰ, ২০২০ পৰ্যন্ত কোম্পানীৰ শ্বেয়াৰ ধাৰণ কৰিব তেওঁলোকেহে ভোটাধিকাৰ সাব্যস্ত কৰিব পাৰিব।

সদস্যসকলে ৰিম'ৰ্ট ব্যৱস্থাৰে বা এজিএমত অংশ লৈ কাৰ্যসূচীৰ ভিত্তিত ভোটদান কৰাৰ সুযোগ লাভ কৰিব, যেনেদৰে এজিএমৰ জাননীত ইলেক্টনিক ভোটিং ব্যৱস্থাৰ বিষয়ে উল্লেখ আছে। এজিএমৰ জাননীত উল্লেখ কৰা ধৰণেই সদস্যসকলক ই-ভোটিং ব্যৱস্থাৰ সুযোগ দিয়া হ'ব যিসকলে শ্বেয়াৰ লাভ কৰিছে ডি-মেটেৰিয়েলাইজড মুড, ফিজিকেল মুড আৰু যিসকলে ই-মেইল ঠিকনা পঞ্জীয়ন কৰা নাই। যিসকল সদস্যই ফিজিকেল মুডত শ্বেয়াৰ লাভ কৰিছে যদিও কোম্পানী/ শ্বেয়াৰেক্স ডাইনেমিক (ইণ্ডিয়া) প্ৰাঃ লিঃ/ ডেপজিটৰিছৰ সৈতে নিজৰ ই-মেইল পঞ্জীয়ন কৰা নাই, তেওঁলোকে লিখিতভাৱে অনুৰোধ প্ৰেৰণ কৰিব পাৰিব শ্বেয়াৰেক্স ডাইনেমিক (ইণ্ডিয়া) প্ৰাঃ লিঃ (ইউনিট ঃ এমিনেছ এণ্ড প্লাষ্টিচাইজাৰ্ছ লিঃ) চি-১০১,২৪৭ পাৰ্ক, এলবিএছ মাৰ্গ, ভিখৰোলী (পশ্চিম), মুম্বাই-৪০০০৮৩, ফোন ঃ ০২২-২৮৫১৫৬০৬, ই-মেইল ঃ support@sharexindia.com) লৈ, ফলীঅ' নং আৰু শ্বেয়াৰ হস্তাৰৰ নাম উল্লেখ কৰি ই-মেইল পঞ্জীয়নৰ বাবে।

ডি-মেট মুডত শ্বেয়াৰ লাভ কৰা সদস্যসকলক অনুৰোধ কৰা হ'ল যাতে তেওঁলোকে যোগাযোগ কৰে ডেপজিটৰী পাৰ্টিছিপেন্স (ডিপি) সৈতে আৰু সংশ্লিষ্ট ব্যৱস্থাৰে ডি-মেট একাউণ্টৰ সৈতে ই-মেইল ঠিকনা পঞ্জীয়ন কৰে আৰু ডিপিয়ে যেনেদৰে পৰামৰ্শ দিয়ে।

এইক্ষেত্ৰত ভিচি/ অ'এভিএম পদ্ধতিৰে এজিএমত উপস্থিত থকা বা এজিএমৰ পূৰ্বে/ সময়ত ই-ভোটিঙৰ জৰিয়তে ভোটদানৰ বিষয়ে কিবা প্ৰশ্ন থাকে, তেনেহ'লে সদস্যসকলে সঘনে সোধা প্ৰশ্ন (এফএকিউ)ৰ সহায়ত আৰু ইনষ্টাভোটৰ জৰিয়তে ই-ভোটিং নিৰ্দেশাৱলীৰ সহায় ল'ব পাৰিব https://instavote.linkintime.co.in ৰ পৰা, সহায়ক শাখাৰ অধীনত বা ই-মেইল প্ৰেৰণ কৰিব পাৰে enotices@linkintime.co.in বা যোগাযোগ কৰিব পাৰে ফোন নং ঃ ০২২-৪৯১৮ ৬০০০ সৈতে, বা মিঃ অজয় পুৰাণিক, সভাপতি (লিগেল) আৰু কোম্পানী সচিব, এমিনেছ এণ্ড প্লাষ্টিচাইজাৰ্ছ লিঃ, ডি/৬, শিৰসাগৰ ষ্টেট, ড° এন্নি বেচাণ্ট ৰোড, উৰ্লি, মুম্বাই-৪০০০১৮, ফোন নং ঃ ০২২-২৪৯৩৫২৮২ বা ই-মেইল ঃ legal@amines.com ৰ জৰিয়তে।

ভোটদান প্ৰক্ৰিয়া নিকা আৰু স্বচ্ছভাৱে পৰিচালনা কৰিবলৈ কোম্পানীয়ে ইতিমধ্যে পৰ্যৱেক্ষক হিচাপে নিযুক্তি দিছে মিছ সুমন মাখিজা, এছ কে মাখিজা এণ্ড এছ'চিয়েটছ, কোম্পানী ছেক্ৰেটেৰীক। কোম্পানী আইন-২০১৩ ৰ শাখা ৯১ ৰ অধীনত কোম্পানীৰ সদস্যৰ পঞ্জীয়ন আৰু শ্বেয়াৰ ট্ৰেন্সফাৰ বুক বন্ধ থাকিব ২১ ছেপ্টেম্বৰ, ২০২০ তাৰিখৰ পৰা ২৯ ছেপ্টেম্বৰ, ২০২০ লৈ (দুয়োটা দিন অন্তৰ্ভুক্ত) বাৰ্ষিক সাধাৰণ সভাৰ উদ্দেশ্যত।

ই-ভোটিঙৰ ফলাফল / এজিএমত ভোটদানৰ ফলাফল ঘোষণা কৰা হ'ব এজিএমৰ সামৰণীৰ ৪৮ ঘণ্টাৰ ভিতৰত। ঘোষিত ফলাফলসহ পৰ্যৱেক্ষকৰ প্ৰতিবেদন উপলব্ধ হ'ব পঞ্জীয়ন কাৰ্যালয়ত আৰু কোম্পানীৰ ক'ৰ্পোৰেট কাৰ্যালয়ত। লগতে উপলব্ধ থাকিব কোম্পানীৰ ৱেবছাইট, আৰু কোম্পানীৰ শ্বেয়াৰ তালিকাভুৰ্ক্ত হৈ থকা ষ্টক এক্সছেঞ্জৰ সৈতেও যোগাযোগ কৰা হ'ব।

এমিনেছ এণ্ড প্লাষ্টিচাজাৰ্ছ লিঃৰ হৈ
স্বা/-
অজয় পুৰাণিক
স্থান ঃ মুম্বাই সভাপতি লিগেল আৰু কোম্পানী সচিব
তাৰিখ ঃ ০৫.০৯.২০২০ মেম্বাৰশ্বিপ নং ঃ এফ ৪২৮৮

নদুৱাৰ আটছাৰ শিক্ষক দিৱসৰ কাৰ্যসূচীত স্থানীয় শিক্ষক-শিক্ষয়িত্ৰীক সম্বৰ্ধনা

দৈনন্দিন বাৰ্তাৰ সেৱা, ইটাখোলা, ৫ ছেপ্টেম্বৰ ঃ মহান শিক্ষক, বিশ্ব বিশ্ৰুত দাৰ্শনিক, সাহিত্যিক আৰু ৰাজনীতিবিদ ড° সৰ্বপল্লী ৰাধা কৃষ্ণণৰ পূণ্য জন্মতিথি উপলক্ষে 1962 চনৰ পৰাই সমগ্ৰ ভাৰত বৰ্ষত 5 ছেপ্টেম্বৰ তাৰিখত উদযাপিত হৈ আহিছে। এইজনা পণ্ডিতপ্ৰবৰ ব্যক্তিৰ স্মৃতিৰে শিক্ষক সকলক সন্মান আৰু শ্ৰদ্ধা জ্ঞাপন কৰিবলৈ তেওঁৰ ওপজা দিনটোকে শিক্ষক দিৱসৰূপে পালিত হোৱাৰ বাবে সমগ্ৰ শিক্ষক সমাজ গৌৰৱান্বিত আৰু মহিমামণ্ডিত। এই পবিত্ৰ শিক্ষক দিৱসৰ শুভক্ষণত প্ৰতিজন কৰ্মৰত অথবা অৱসৰী শিকক সমাজখনক শ্ৰদ্ধা আৰু অভিনন্দন জনোৱাৰ উদ্দেশ্যে বিশ্বনাথ জিলাৰ নদুৱাৰ শাখা আটছাই এটি সম্বৰ্দ্ধনা অনুষ্ঠানৰ আয়োজন কৰে। ইটাখোলাস্থিত দিকৰাই চাহ বাগিচাৰ শ্ৰমিক বিনোদন ভৱন প্ৰাংগণত অনুষ্ঠিত অনুষ্ঠানত প্ৰথমে ড° সৰ্বপল্লী ৰাধা কৃষ্ণণৰ প্ৰতিছবিত মূল্যাৰ্পন আৰু বন্তি প্ৰজ্বলন শুভাৰম্ভ কৰে কেন্দ্ৰীয় আটছাৰ প্ৰচাৰ সম্পাদক মিন্টু ভূমিজ। অঞ্চলটোৰ বিশিষ্ট শিক্ষক জগৰনাথ ছত্ৰী, টংক কুৰ্মিৰ আতিথ্যত আৰম্ভ হোৱা সম্বৰ্দ্ধনা অনুষ্ঠানটিৰ সভাপতিত্ব কৰে বিশ্বনাথ জিলা আটছাৰ সভাপতি ধীৰাজ তাঁতী সভাৰ আত ধৰে সম্পাদক গ্ৰীন্দৰ কুৰ্মিয়ে। নদুৱাৰ অঞ্চলৰ চাহ বাগিচা অধ্যুষিত এলেকাৰ মুঠ 15 গৰাকী শিক্ষক-শিক্ষয়িত্ৰীক আমন্ত্ৰণ জনাই ফোলাম গামোচাৰে সম্বৰ্দ্ধনা জনোৱা হয়। বিশ্বনাথ জিলা আটছাৰ শিক্ষাও সহিত্য সম্পাদক অবিনাশ ৰাজবাৰ, সাংগঠনিক সম্পাদক গৌতম বাউৰীৰ আৰু নদুৱাৰ শাখা আটছাৰ সভাপতি আনন্দ তচাৰ উপস্থিতিত অনুষ্ঠানটিৰ কাৰ্যক্ৰমণিকা অনুসৰি অনুষ্টুপীয়াকৈ আলোচনা চক্ৰত বিশেষভাৱে চাহ বাগিচা অঞ্চলৰ শিক্ষানুষ্ঠানসমূহৰ সমস্যা সম্পৰ্কে আলোচনা হয়। সাম্প্ৰতিক কৰ'না মহামাৰীৰ ফলত সমগ্ৰ দেশ লকডাউনৰ ফলত শিক্ষা অনুষ্ঠান প্ৰতিষ্ঠান বন্ধ হৈ থকাত চলিত বৰ্ষৰ পাঁচ ছেপ্টেম্বৰৰ দিনা শিক্ষক দিৱসটি আটছাই পালন কৰি শিক্ষাগুৰুসকলক সন্মান আৰু শ্ৰদ্ধা জ্ঞাপন কৰাৰ উদ্দেশ্যে অনুষ্ঠিত অনুষ্ঠানত নদুৱাৰ শাখা আটছাৰ সহকাৰী সম্পাদক ৰাধেশ্যাম তাঁতী মুখ্য সাংগঠনিক সম্পাদক সঞ্জয় কুৰ্মী সাংস্কৃতিক সম্পাদক লক্ষীনাথ ভূঞা কাৰ্যনিৰ্বাহক অৰুণ গোৱালা আৰু দিকৰাই উপশাখা আটছাৰ সভাপতি সম্পাদক ভগত তাঁতী, দয়াল তচাকে আদি কৰি স্থানীয় বহু কেইগৰাকী আটছা কৰ্মী।